# ইক'টুৰিজিম আৰু অসমত ইয়াৰ সম্ভাৱনা

✍ গৌতম শৰ্মা

সাম্প্ৰতিক বিশ্বত পৰ্যটন উদ্যোগটোৱে ব্যাপকভাৱে প্ৰসাৰতা লাভ কৰিছে। এইক্ষেত্ৰত আমাৰ দেশ ভাৰতবৰ্ষও পিছপৰি ৰোৱা নাই। বিভিন্ন কাৰণৰ বশৱৰ্তী হৈ এজন লোক পৰ্যটকৰ শাৰীলৈ উন্নীত হ'ব পাৰে। পৰ্যটকসকলৰ ভ্ৰমণৰ উদ্দেশ্যক কেন্দ্ৰ কৰি আমি ইয়াক বিভিন্ন ভাগত যেনে- সাংস্কৃতিক পৰ্যটন, শিক্ষামূলক পৰ্যটন, চিকিৎসা পৰ্যটন, ক্ৰীয়া পৰ্যটন, হেৰিটেজ পৰ্যটন, এডভেঞ্চাৰ পৰ্যটন, কৃষি পৰ্যটন, স্বাস্থ্য পৰ্যটন, বন্যপ্ৰাণী পৰ্যটন, পৰিৱেশ পৰ্যটন, গ্ৰাম্য পৰ্যটন আদি বিভিন্ন ভাগত বিভক্ত কৰিব পাৰোঁ। উল্লেখযোগ্য যে, পৰ্যটনৰ এই বিশেষ ভাগসমূহৰ ভিতৰত সাম্প্ৰতিক বিশ্বত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ আৰু লাভজনক হিচাপে বিবেচিত হোৱা পৰ্যটনবিধ হৈছে 'ইক'টুৰিজিম' অৰ্থাৎ পৰিৱেশ পৰ্যটন। বৈশিষ্ট্য তথা উদ্দেশ্যগত দিশৰ পৰা এই পৰ্যটনৰ প্ৰয়োজনীয়তা তথা ইতিবাচক ভূমিকা যথেষ্ট আছে। এটা কথা বিশেষভাৱে মনকৰিবলগীয়া যে, পৰ্যটন উদ্যোগৰ বিকাশৰ অন্তৰালত প্ৰকৃতিৰ অৱদানেই প্ৰথম তথা সৰহ। বিভিন্ন অধ্যয়ন আৰু গৱেষণাৰ পৰাও এটা কথা দেখদেখকৈ প্ৰমাণিত হৈছে যে ভৌতিক পৰিৱেশৰ ওপৰত পৰ্যটনৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। এতেকে এইসমূহ দিশৰপৰাও ক'বলৈ গ'লে পৰিৱেশ তথা প্ৰকৃতিৰ অবিহনে পৰ্যটন ক্ষেত্ৰখনৰ অস্তিত্বই কল্পনাহীন।

ইক'টুৰিজিম হৈছে পৰ্যটন ক্ষেত্ৰখনত নকৈ সংযোজিত হোৱা এক পৰ্যটন। এই পৰ্যটনৰ প্ৰধান উপাদান তিনিটা হৈছে পৰিৱেশ-প্ৰকৃতি, পৰ্যটন আৰু স্থানীয় বাসিন্দা। বিশ্ব পৰ্যটন সংস্থাই এই পৰ্যটনৰ সংজ্ঞা এনেদৰে দিছে "Ecotourism is that involves travelling to relatively undistributed natural areas with the specified object to studying admiring and enjoying nature and its wild plants and animals as well as existing cultural aspects found in the area." অৰ্থাৎ ইক'টুৰিজিম হৈছে তুলনামূলকভাৱে অক্ষুণ্ণ হৈ থকা বনাঞ্চলত প্ৰাকৃতিক সৌন্দৰ্য উপভোগৰ লগতে সেই অঞ্চলটোৰ উদ্ভিদ আৰু বন্যপ্ৰাণী দৰ্শন কৰিব পৰা সুবিধাৰ লগতে অঞ্চলটোৰ নৃগোষ্ঠীয় লোকসকলৰ পৰম্পৰা তথা সংস্কৃতিৰ অৱলোকন আৰু সেইবিলাকৰ ওপৰত ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে তথ্য আহৰণ কৰিবলৈ কৰা ভ্ৰমণ। আকৌ ১৯৯১ চনত 'Ecotourism Society' য়ে সদৰী কৰা তথ্যই "Ecotourism is responsible travel to natural areas that conserves the environment and sustain of well being of local people." বুলি মতপোষণ কৰিছে। উপৰোক্ত সংজ্ঞাসমূহে এটা কথা স্পষ্ট কৰি দেখুৱাইছে যে, পৰিৱেশৰ ওপৰত একোধৰণেৰে ক্ষতিসাধন তথা প্ৰভাৱ বিস্তাৰ নকৰাকৈ পৰিৱেশৰ লগতে ইয়াৰ স্থানীয় লোকসকলৰো যাতে উন্নতি সাধন হয় তাৰ প্ৰতিও লক্ষ্য ৰাখি প্ৰাকৃতিক সৌন্দৰ্য আৰু সম্পদেৰে চহকী ঠাইসমূহত পৰ্যটকসকলৰ আগমনৰ যোগেদি যি প্ৰকাৰৰ পৰ্যটন গঢ়ি উঠে সেয়াই হৈছে মূলতঃ ইক' টুৰিজিম অৰ্থাৎ পৰিৱেশ পৰ্যটন। এই শ্ৰেণীৰ পৰ্যটনত অন্তৰ্ভুক্ত পৰ্যটকসকলৰো মূল উদ্দেশ্য হৈছে পৰিৱেশ-প্ৰকৃতিৰ একো অনিষ্ট নকৰাকৈ বৰঞ্চ এইসমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ যোগেদি প্ৰকৃতিৰ ৰূপ-ৰস, সৌন্দৰ্য তথা ইয়াৰ নৈসৰ্গিকতাক উপভোগ কৰা।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে, ইক'টুৰিজিম হৈছে পৰ্যটনৰ এটি নতুন ভাগ। ১৯৯৭ চনত 'জৈৱ-বৈচিত্ৰৰ বাৰ্লিন ঘোষণা'ৰ যোগেদি এই পৰ্যটনৰ গুৰুত্ব সম্পৰ্কে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পোনপ্ৰথম এলানি গুৰুত্বপূৰ্ণ আলোচনা হৈছিল। এই আলোচনাৰ গুৰুত্বৰ ওপৰত ভিত্তি কৰি ২০০২ চনটোক 'আন্তঃৰাষ্ট্ৰীয় ইক'টুৰিজিম বৰ্ষ' (International Ecotourism Year) হিচাপে ঘোষণা কৰা হৈছিল। ২০০২ চনত কানাডাৰ কুইবেক চহৰত অনুষ্ঠিত এক আন্তৰাষ্ট্ৰীয় সন্মিলনত বিশ্ব পৰিৱেশ পৰ্যটন উদ্যোগৰ তৰফৰ পৰা বিশ্ববাসীৰ প্ৰতি এক আবেদন জনোৱা হৈছিল। সেই আবেদনত বিশ্বৰ সকলো দেশকে প্ৰাকৃতিক পৰিৱেশক সুৰক্ষা দিয়াৰ লগতে পৰম্পৰাগত বনবাসী অৰ্থাৎ বনত বাস কৰা নৃগোষ্ঠীয় লোকসকলৰ কৃষ্টি-সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়া, তেওঁলোকৰ পৰম্পৰাগত জ্ঞানক শ্ৰদ্ধা কৰাৰ লগতে সেই জাতি-গোষ্ঠীসমূহৰ স্বকীয় বৈশিষ্ট্যসমূহ আৰু তেওঁলোকৰ ভূ-সম্পত্তিকে ধৰি অন্যান্য পৰম্পৰাগত সম্পদসমূহক ৰক্ষণাবেক্ষণেৰে তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নক গুৰুত্ব দিয়াৰ আহ্বান জনোৱা হৈছিল। এটা কথা বিশেষভাৱে উল্লেখযোগ্য যে যিসকল লোকে পৰম্পৰাগতভাৱে বনাঞ্চলত বাস কৰি আহিছে তেওঁলোকৰ দ্বাৰা প্ৰকৃতি আৰু পৰিৱেশ সদায়ে সুৰক্ষিত হৈ আহিছে। এনে নৃগোষ্ঠীয় লোকসকল, যিসকলে প্ৰকৃতিৰ কোলাতেই লালিত-পালিত হৈছে, তেওঁলোকে সকলো ধৰণৰ প্ৰগতি, সা-সুবিধা তথা আধুনিক শিক্ষা-দীক্ষাৰে ঢুকি পোৱাৰ পৰাও যে সদায় আঁতৰতেই থাকিব সেই কথাও কিন্তু যুক্তিসংগত তথা আমাৰ বাবে কেতিয়াও গ্ৰহণযোগ্য নহয়। সেয়েহে এইক্ষেত্ৰত বনত বাস কৰা এনে লোকসকলৰ অৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত ইক'টুৰিজিমে নিশ্চয়কৈ এটা অতি গুৰুত্বপূৰ্ণ ইতিবাচক ভূমিকা পালন

কৰিব যে পাৰে তাত কাৰো দ্বিমত নাই। আৰু প্ৰকৃত অৰ্থত এনে হ'লে পৰ্যটনক উদ্যোগ বা ব্যৱসায় হিচাপে লৈ তেওঁলোকে আত্মনিৰ্ভৰশীল হোৱাই নহয়, বনবাসী হৈও তেওঁলোকে সঁচা অৰ্থত এক আধুনিক জীৱন-যাপন কৰাৰ সুবিধা লাভ কৰিব।

বিশ্বৰ যিবোৰ দেশে ইতিমধ্যে বৃহৎ উদ্যোগ তথা ঔদ্যোগিকৰণৰ নেতিবাচক দিশসমূহৰ সৈতে মুখামুখি হৈছে, তেনে দেশসমূহৰ বাবে এটা শেহতীয়া মন্ত্ৰ হৈ পৰিছে ইক'টুৰিজিম অৰ্থাৎ পৰিৱেশ পৰ্যটন। সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশসমূহে এই পৰ্যটনক নিজ নিজ দেশসমূহত থকা বিভিন্ন ইক' জনসমূহৰ ক্ষেত্ৰত প্ৰয়োগ কৰি এইসমূহক পৰ্যটনৰ সম্ভাৱনাময় ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছে। ইক'টুৰিজিমৰ গুৰুত্বতা উপলব্ধি কৰি ভাৰতেও সমগ্ৰ দেশখনতে সিঁচৰিত হৈ থকা ইক' জনসমূহক মুঠ ৬ টা ভাগত বিভক্ত কৰিছে; তাৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চল হৈছে এখন উল্লেখযোগ্য ক্ষেত্ৰ। ইয়াত অন্তৰ্ভুক্ত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান ঠাইসমূহ হৈছে গুৱাহাটী, কাজিৰঙা, মাজুলী, তেজপুৰ, শিৱসাগৰ, ভালুকপুং, শ্বিলং, চেৰাপুঞ্জী, ক'হিমা আৰু টাৱাং।

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমখন হৈছে জৈৱ-বৈচিত্ৰতাৰ ক্ষেত্ৰত অত্যন্ত এক চহকী ক্ষেত্ৰ আৰু বহু স্পৰ্শকাতৰ পৰিৱেশতন্ত্ৰৰ আলয় হিচাপে খ্যাত। ৫ খন ৰাষ্ট্ৰীয় উদ্যান, ১৮ খন অভয়াৰণ্য, ৪৬ খন পক্ষীৰ আবাসভূমি আৰু ৩১২ খন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলেৰে ৰাজ্যখনৰ মুঠ মাটিকালিৰ প্ৰায় ৩৫% সেউজীয়া অৰণ্যভূমিয়ে আগুৰি আছে। এই অৰণ্যভূমিৰ লগতে ইয়াৰ নৈসৰ্গিকতা আৰু জৈৱ-বৈচিত্ৰতাই স্থানীয় আৰু দেশী-বিদেশী পৰ্যটক আৰু প্ৰকৃতিপ্ৰেমীসকলকো সদায় আকৰ্ষণ কৰি আহিছে। অৰ্থাৎ আমাৰ ৰাজ্যখনত ইক' টুৰিজিম তথা পৰিৱেশ পৰ্যটনৰ প্ৰভাৱ আমি ইতিমধ্যেই লক্ষ্য কৰি আহিছোঁ। কিন্তু আমাৰ চৌপাশে উপলব্ধ এই প্ৰচুৰ সম্পদৰাজীলৈ চাই ৰাজ্যখনত পৰিৱেশ পৰ্যটনৰ প্ৰসাৰতা যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই যেন আজিও আমাৰ অনুভৱ হয়। ইয়াৰ বাবে আমাৰ অজ্ঞতা, উপযুক্ত আঁচনি, প্ৰচাৰ আৰু আন্তঃগাঁথনিৰ অভাৱ, পৰিৱেশ-প্ৰকৃতি সুৰক্ষাৰ প্ৰতি থকা আমাৰ অদায়বদ্ধতাই মূলতে জগৰীয়া। আকৌ বানপানী, ভূমিকম্প, ভূমিস্খলন, বৃষ্টিপাত আদি প্ৰাকৃতিক সমস্যাসমূহৰ লগতে প্ৰকৃতিৰ সন্তুলন ৰক্ষা নকৰাকৈ মানুহে জধেমধে গঢ়ি তোলা কৃত্ৰিম সমস্যাবোৰো অসমত ইক'টুৰিজিম বিকাশৰ প্ৰধান অন্তৰায় হিচাপে চিহ্নিত হৈছে।

কিন্তু যদি আমি এই সমস্যাসমূহক সুপৰিকল্পিতৰূপত সমাধানৰ চেষ্টা কৰোঁ তেন্তে নিশ্চিতভাৱে অসমৰ অৰ্থনীতিত এই পৰ্যটনে এক সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব। ইক'টুৰিজিমৰ সম্প্ৰসাৰণে প্ৰকৃতিৰ সন্তুলন তথা ভাৰসাম্যতাক নিয়ন্ত্ৰণ কৰাটো যথেষ্ট সহায় কৰিব। লগতে ই আমাৰ পৰিৱেশকো নিকা আৰু প্ৰদূষণমুক্ত কৰি ৰখোৱাত সহায়ক হ'ব। ইয়াৰ অনুৰূপধৰণে এই পৰ্যটনে স্থানীয় অধিবাসীসকলৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক ইত্যাদি দিশসমূহকো সমৃদ্ধিশালী কৰিব বুলি আশা কৰিব পাৰি। যিহেতু ইক'টুৰিজিম বা পৰিৱেশ পৰ্যটন হৈছে এনে এক বিশেষ ব্যৱস্থা য'ত পৰ্যটকসকলে পৰিৱেশৰ সৈতে এক ভাৰসাম্য বজাই ৰাখিব, পৰিৱেশক উপভোগ কৰিব আৰু পৰিৱেশৰ অলপো ক্ষতি নকৰাকৈ ইয়াৰ উন্নয়নৰ বাবে জ্ঞান আহৰণ কৰি ইয়াৰ সংৰক্ষণক লৈও চিন্তা-চৰ্চা কৰিব। পৰ্যটন হৈছে দুয়োফালে ধাৰ থকা এখন তৰোৱালৰ দৰে। সেয়েহে প্ৰকৃতি-পৰিৱেশক কেন্দ্ৰ কৰিয়েই আমাৰ ৰাজ্যখনতো পৰ্যটন উদ্যোগটোক নিৰ্ধাৰিত তথা সুপৰিকল্পিত নিয়মৰ মাজেদি আমি ভালদৰে আগবঢ়াই নিলে ই নিশ্চিতভাৱে পৰিৱেশ, দেশ তথা জাতি-জনজাতিৰ উন্নয়নৰ সোপান হোৱাৰ লগতে প্ৰকৃতি সংৰক্ষণতো এক অভূতপূৰ্ব বৰঙণি যোগাব পাৰিব বুলি আমাৰ বিশ্বাস।